Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/18**

**2018**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ **এটা** বা **দুটা** শব্দেৰে) : ১×১০=১০

(ক) বাণীকান্ত কাকতিৰ সাহিত্যিক ছদ্মনামটো কি আছিল ?

(খ) ডান্টে কিমান বছৰ বয়সত তেওঁৰ প্ৰেমিকাক প্ৰথম দেখা পাইছিল ?

(গ) ‘সাহিত্য বিদ্যা পৰিক্ৰমা’ গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) নাৰদ কাৰ পুত্ৰ আছিল ?

(ঙ) সত্যভামা কোন ?

(চ) ‘নাম-ঘোষা’ৰ ৰচক কোন ?

(ছ) ‘বৰ্ণবোধ’ গল্পৰ লেখক কোন ?

(জ) ‘চিৰাজ’ নাটকৰ নাট্যকাৰ কোন ?

(ঝ) ‘নাটঘৰ’ কবিতাটো কোনখন কবিতা-পুথিৰ পৰা লোৱা হৈছে ?

(ঞ) সীতাৰ মাকৰ নাম কি ?

২। শুদ্ধ নে অশুদ্ধ লিখা (কেৱল শুদ্ধ বা অশুদ্ধ বুলি উত্তৰ-বহীত লিখা) : ১×৫=৫

(ক) বিশ্বজনীনতা সাহিত্যৰ এটা ডাঙৰ লক্ষণ।

(খ) ‘বৰ্ণবোধ’ গল্পৰ নায়িকা জয়ন্তী এজনী কলেজীয়া ছাত্ৰী।

(গ) ‘কুকুৰ’ কবিতাটো ‘অচিনা’ নামৰ কাব্যপুথিৰ পৰা অনা হৈছে।

(ঘ) ‘চিৰাজ’ নাটকৰ নায়ক কন্দৰ্প।

(ঙ) ‘বুভুক্ষা’ মানে জীয়াই থকাৰ ইচ্ছা।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দেৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) _____লৈয়ে এই ৰচিলো জীৱন গীতি।

(খ) খাদ্যৰ নামতো সিহঁতে পায় _____ বীজ।

(গ) জাতি বিজাতি _____, ঈশ্বৰে গঢ়া নহয়।

(ঘ) মই তোক _____ কওঁনে জয়ন্তী।

(ঙ) যন্ত্ৰণা মোৰ _____ মন্ত্ৰ।

SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) ডান্টে কোন আছিল? তেওঁৰ প্ৰেমিকাৰ নাম কি আৰু প্ৰথমবাৰ ক'ত দেখা পাইছিল? ১+১+১=৩

(খ) বাণীকান্ত কাকতি ৰচিত যি কোনো তিনিখন গ্ৰন্থৰ নাম লিখা। ৩

(গ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যত নাৰদৰ প্ৰকৃতি কেনে আছিল? ৩

(ঘ) ৰমা কোন? তাই কিয় পঢ়া এৰিবলগীয়া হৈছিল? ৰমাই কেতিয়া জয়ন্তীক ক, খ লিখিবলৈ শিকাইছিল? ১+১+১=৩

(ঙ) “কি কৰিবা আৰু! মহাৰাজক লওঁতে লওঁতে গাৰ বিষ উঠি গৈছে।” ইয়াত মহাৰাজ বুলি কাক, কোনে, কাৰ আগত কৈছে? ১+১+১=৩

(চ) ইন্দ্ৰদ্যুম্ন ৰজাই কলিংগপতিক বিন্ধ্য পৰ্বতলৈ কাক লৈ, কিয় যাবলৈ দিছিল? ৩

(ছ) চতুৰংগ সেনা কি কি? ৩

(জ) ‘চিৰাজ’ কোন শ্ৰেণীৰ নাটক? নাটকখনৰ দুটা পুৰুষ চৰিত্ৰৰ নাম লিখা। ১+১+১=৩

(ঝ) ‘নাটঘৰ’ কবিতাটোত কবিয়ে সংসাৰখনক আৰু মানুহক কিৰূপে কল্পনা কৰিছে? ৩

(ঞ) ‘চিৰাজ’ নাটকৰ সীতাৰ আন এটা নাম কি? সীতাৰ কাৰ লগত মনৰ মিল হয়? কাৰ সহযোগত এই মিলন সম্ভৱ হয়? ১+১+১=৩

(ট) ‘কুকুৰ’ কবিতাৰ কবি কোন? তেওঁ কোন যুগৰ কবি? তেওঁৰ কোনখন কবিতা-পুথিৰ পৰা এই কবিতাটো লোৱা হৈছে? ১+১+১=৩

(ঠ) নৱকান্ত বৰুৱাৰ ‘উভতি নহাৰ কবিতা’টি কোনখন কাব্যপুথিৰ অন্তৰ্গত? পৃথিৱীলৈ তেওঁৰ বাণী কি? ১+২=৩

(ড) আঘোণা কোন? তেওঁৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা। ১+২=৩

(ঢ) চিত্ৰলেখা কাৰ সখী আছিল? তেওঁ কি বিদ্যাৰ সহায়ত, কি কাৰ্য সম্পাদন কৰিছিল? ১+১+১=৩

(ণ) নলিনীবালা দেৱীৰ তিনিখন কবিতা-পুথিৰ নাম লিখা। ৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) অহৈতুকী প্ৰীতি কি? ডান্টেৰ ইচ্ছা আৰু বাসনাক কেনেধৰণৰ প্ৰেমৰ তাড়নাই নিয়ন্ত্ৰিত কৰিছিল?

(খ) সাহিত্যত কল্পনাৰ গুৰুত্ব কিমান, আলোচনা কৰা।

(গ) 'বৰ্ণবোধ' গল্পৰ মাজেৰে প্ৰকাশ পোৱা বৰ্ণবোধৰ তাৎপৰ্য তোমাৰ ভাষাৰে লিখা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'নাটঘৰ' কবিতাটোৰ মূল ভাৱ লিখা।

(খ) 'কুকুৰ' কবিতাটোত কুকুৰ প্ৰতীকৰ জৰিয়তে কবিয়ে প্ৰকৃততে কি ক'বলৈ বিচাৰিছে, আলোচনা কৰা।

(গ) পৃথিৱীৰ প্ৰতি কবিৰ অন্তৰৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে, 'উভতি নহাৰ কবিতা'ৰ জৰিয়তে বৰ্ণনা কৰা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) "মানুহেহে সমাজ গঢ়ে, সমাজে মানুহ নগঢ়ে।" কথাষাৰ কোনে, কাক কৈছে? কি প্ৰসংগত কথাষাৰ কোৱা হৈছে, আলোচনা কৰা।

(খ) আঘোণা চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(গ) নাটক কাক বোলে? নাটকৰ উপাদানসমূহৰ এটি পৰিচয়সূচক টোকা লিখা।

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) গৰু বন্ধা ঘৰ

(খ) যি দুয়োটা চকুৰে নেদেখে

(গ) বিহুৰ আগদিনা

(ঘ) খাবলৈ অনা কলপুলি

(ঙ) যি ভগৱানক বিশ্বাস নকৰে

(চ) গোটেই জীৱনব্যাপী

(ছ) যাক বৰ্ণনা কৰিব নোৱাৰি

৯। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৩

(ক) টেঙা আম এবাৰহে বেচিব পাৰি।

(খ) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

(গ) ৰাইজে নখ জোকাৰিলে নৈ বয়।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

হিয়াৰ আমঠু ; ডলাৰ বগৰী ; হাত-দীঘল ; কণাৰ লাখুটি ; ঘৰ-গোনা ; জাকত জিলিকা ; ধোদৰ পচলা।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

খেতিয়ক ; ফুলাম ; কচুৰনি ; বননি ; পষেকীয়া ; গাঁৱলীয়া ; ৰান্ধনি ; লিখক ।

১২। বিভক্তি কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে একোটাকৈ উদাহৰণ দিয়া। ৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) বিজ্ঞান আৰু আধুনিক সমাজ

(খ) ছাত্ৰৰ কৰ্তব্য

(গ) তোমাৰ প্ৰিয় গ্ৰন্থ

(ঘ) মেঘালয়ৰ পৰ্যটন ক্ষেত্ৰসমূহ

★★★